২০২২ এছ.চি.চি অনলাইন গৌ. ২১৬১: (২০২২) ৫ গৌ এল আৰ ৬৭১: (২০২২) ২৩৬

এ. আই. চি. ৫১৫

# গুৱাহাটী উচ্চ ন্যায়ালয়

(ন্যায়াধীশ দেৱাশীশ বৰুৱাৰ বিচাৰপীঠ)

যাদৱ চন্দ্ৰ চেতিয়া ............. আবেদনকাৰী;

বনাম

অমিলা বাউৰী আৰু অন্যান্য ......... প্ৰতিবাদী

চি. আৰ. পি. নং ৪৪/২০১৮

ৰায়দানৰ তাৰিখ- ২ জুন, ২০২২

দেৱানী কাৰ্যবিধি আইন, ১৯০৮, ধাৰা ১১৫ —দেৱানী কাৰ্যবিধি আইনৰ ধাৰা ১১৫ৰ অধীনত উচ্চ ন্যায়ালয়ক প্ৰদান কৰা ক্ষমতাৰ সৈতে আপীল ক্ষমতাৰ সাদৃশ্য নাই — উচ্চ ন্যায়ালয়ক প্ৰদান কৰা এই ক্ষেত্ৰাধিকাৰ তেতিয়াহে ব্যৱহাৰ কৰিব পাৰিব যেতিয়া নিম্ন আদালতে আইনী ক্ষমতাৰ বাহিৰলৈ যায় বা নিৰ্ধাৰিত আইনী পদ্ধতি বা নীতিৰ পৰা বিচ্যুত হয়।

[দফা ১৪]

দেৱানী কাৰ্যবিধি আইন, ১৯০৮, আদেশ ৭ ৰ নিয়ম ৩ আৰু আদেশ ২২ৰ নিয়ম ৩ — মোকৰ্দমাটো এটা স্থাৱৰ সম্পত্তি সম্পৰ্কীয় অধ্যাদেশ — নিশ্চিতভাৱে চিনাক্ত নোহোৱা সম্পত্তি — আদেশ ৭ৰ নিয়ম ৩ আৰু আদেশ ২২ৰ নিয়ম ৩ৰ বিধানসমূহ মানি চলাত যদি ভুল হয়, আদালতৰ ৰেকৰ্ডত যদি আসোঁৱাহ থাকে, সঠিক আইনী পদ্ধতিৰ জৰিয়তে আসোঁৱাহ শুধৰণি কৰিব পৰা যায়। প্ৰতিটো গোচৰৰ নিৰ্দিষ্ট বিৱৰণৰ ভিত্তিত আদালতে দেৱানী কাৰ্যবিধি আইনৰ ধাৰা ১৫২ বা ৪৭ৰ আশ্ৰয় ল'ব পাৰে- দেৱানী কাৰ্যবিধি আইন(চি.পি.চি)ৰ ধাৰা ৪৭ অনুসৰি এই ডিক্ৰী কাৰ্যকৰী কৰা, বাধ্যবাধকতা পূৰণ, আৰু আইনী ৰায়দানৰ সামগ্ৰিক সমাধান আদি বিষয়সমূহৰ

আদালতৰ ডিক্ৰীত উল্লেখ কৰা সম্পত্তিৰ সঠিক বিৱৰণ ডিক্ৰী ৰূপায়ণকাৰী আদালতনিৰ্ধাৰণ কৰিব পাৰে।

গোচৰটোত হাজিৰ হোৱা অধিবক্তাসকল:
আৱেদনকাৰীৰ হৈ-শ্ৰী এন. চি. দাস আৰু শ্ৰীমতী এম. বৰা।
প্ৰতিবাদীৰ হৈ- শ্ৰী এ.কে. গুপ্তা আৰু শ্ৰী আৰ.এছ মিশ্ৰ

উল্লেখ কৰা গোচৰ: প্ৰতিভা সিং বনাম শান্তি দেৱী প্ৰসাদ, (২০০৩) ২ এছ.চি.চি ৩৩০

## ৰায়দান আৰু আদেশ

১) আবেদনকাৰীৰ হৈ উপস্থিত থকা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰীযুত এন.চি. দাস, আৰু সহযোগী বিজ্ঞ অধিবক্তা শ্ৰীমতী এম. বৰাৰ আৰু প্ৰতিবাদীৰ হৈ উপস্থিত থকা বিজ্ঞ অধিবক্তা শ্ৰীযুত আৰ.এছ. মিশ্ৰৰ যুক্তি সমূহ শুনা হ'ল।

২) এই আবেদনখন দেৱানী কাৰ্যবিধি আইনৰ ('the code') ধাৰা ১১৫ ৰ অধীনত বিবিধ গোচৰ (জে)নং ১৩৫/২০১৬ ত ৩০.৭.২০১৬ তাৰিখে প্ৰদান কৰা আদেশক আৰু ১১.১.২০১৮ তাৰিখে বিবিধ গোচৰ নং ২১/২০০৯ তাৰিখে প্ৰদান কৰা আদেশক প্ৰত্যাহ্বান জনাই দাখিল কৰা হৈছে । দুয়োটা গোচৰ ডিব্ৰুগড়ৰ ১ নং মুনচিফ আদালতৰ ডিক্ৰী জাৰী গোচৰ নং ২১/২০০৯ৰ (Title Execution Case No.21/2009) পৰা উদ্ভৱ হৈছে।

৩) গোচৰটোৰ চমু বিৱৰণ হ'ল যে ডিক্ৰী ধাৰীয়ে (decree holder) অৰ্থাৎ ইয়াত প্ৰতিবাদীয়ে, বাদী হিচাপে এটা মোকৰ্দমা দাখিল কৰিছিল যিটো স্বত্ব গোচৰ নং ১০৪/১৯৯৯ হিচাপে পঞ্জীয়ন কৰা হৈছে (Title Suit No.104/1999)। উক্ত মোকৰ্দমাটোত, বাদীয়ে প্ৰতিবাদীক উচ্ছেদৰ বাবে ডিক্ৰী বিচাৰিছিল; যাতে বাদীয়ে প্ৰতিবাদকাৰী আৰু তেওঁৰ পৰিয়ালক তেওঁলোকৰ সকলো বস্তুৰ সৈতে আঁতৰাই তপছিল

ক আৰু খ ত উল্লেখ কৰা বিবাদিত মাটি সম্পূৰ্ণ দখল কৰিব পাৰে । সেই অনুৰোধৰ ভিত্তিত, ২০০৫ চনৰ ৩০ আগষ্ট তাৰিখৰ এক ৰায় আৰু ডিক্ৰীৰ জৰিয়তে উক্ত মোকৰ্দমাটোৰ ডিক্ৰী বাদীৰ সপক্ষে বাদীয়ে অনুৰোধ কৰা ধৰণে সকাহ মঞ্জুৰ কৰি জাৰী কৰা হয়।

৪) ক্ষুব্ধ আৰু অসন্তুষ্ট হৈ আবেদনকাৰীয়ে চিভিল জাজৰ (the Court of Civil Judge) আদালত, ডিব্ৰুগড়ত আপীল আবেদন দাখিল কৰে আৰু সেই আবেদনখন স্বত্ব আপীল আবেদন নং ৪৩/২০০৫ (Title Appeal no.43/2005)বুলি পঞ্জীয়ন কৰা হৈছিল । ১৬.৯.২০০৯ তাৰিখৰ এক ৰায় আৰু ডিক্ৰীৰ জৰিয়তে উক্ত আবেদনখন খাৰিজ কৰা হয়। ইয়াৰ পিছত আৰু কোনো আবেদন দাখিল কৰা নহ'ল। সেয়েহে, ২০০৫ চনৰ ১৬ ছেপ্টেম্বৰত জাৰি কৰা ৰায় আৰু ডিক্ৰীক, যিয়ে ২০০৫ চনৰ ৩০ আগষ্টৰ বিচাৰ আদালতৰ ৰায় আৰু ডিক্ৰীক সমৰ্থন কৰিছিল, দৃঢ়তা প্ৰদান কৰে।

৫) ইয়াৰ পিছত ডিক্ৰী ধাৰীয়ে (decree holder) ইয়াত প্ৰতিবাদীয়ে এটা ডিক্ৰী জাৰী গোচৰ দাখিল কৰে আৰু যিটো কাৰ্যকৰী আদালতত অৰ্থাৎ ডিব্ৰুগড়ৰ ১ নং মুনছিফ আদালতত Title Execution Case No.21/2009 হিচাপে পঞ্জীয়ন কৰা হৈছিল । উক্ত প্ৰক্ৰিয়াত, আবেদনকাৰীয়ে দেৱানী কাৰ্যবিধি আইনৰ ধাৰা ৪৭ ৰ অধীনত আবেদন দাখিল কৰিছিল, য'ত ২০০৫ চনৰ ৩০ আগষ্টত টাইটেল চুট নং ১০৪/১৯৯৯ত জাৰি কৰা ডিক্ৰীখনৰ বলবৎকৰণৰ যোগ্যতাক প্ৰত্যাহবান জনোৱা হৈছিল। পৰৱৰ্তী সময়ত টাইটেল আপীল নং ৪৩/২০০৫ত আপীল আদালতে গৃহীত কৰা ২০০৯ চনৰ ১৬ ছেপ্টেম্বৰ তাৰিখৰ ৰায় আৰু ডিক্ৰীয়ে নিশ্চিত কৰিছিল।

৬) উক্ত আবেদনখন অধ্যয়ন কৰিলে দেখা যায় যে, আবেদনকাৰীয়ে ৰ ৬ নং আৰু ৭ নং দফাত উল্লেখ কৰিছে যে আবেদনকাৰীজন চাবুৱা চাহ কোম্পানীৰ ভাড়াতীয়া আছিল আৰু ভাড়াতীয়া খতিয়ান (tenancy khatian)লাভ কৰিছিল, যিটো চাবুৱা টাউনৰ ম্যাদী পট্টা নং ৪৪ ৰ দাগ নং ৩৩৯ৰ অংশ হিচাপে ভূমি ৰাজহ পৰিশোধৰ ৰচিদৰ সৈতে মোৰ্কদমাত দাখিল কৰিছিল। লগতে এইটোও উল্লেখ কৰিছিল যে ম্যাদী পট্টা নং-৩ ত দাগ নং-৩৩৯ৰ দৰে কোনো দাগ নাই । ইয়াৰ ভিত্তিত আবেদনকাৰী-দেনদাৰ (judgment debtor) এ অভিযোগ কৰে যে ডিক্ৰীধাৰীয়ে

ভুৱা নথিপত্ৰ দাখিল কৰি ডিক্ৰী লাভ কৰিছিল আৰু পট্টা নং ৪৪ৰ অন্তৰ্গত ৩৩৯ নং দাগ চাবুৱা চাহ বাগিচাৰহে ডিক্ৰীধাৰীৰ নহয়। লগতে উল্লেখ কৰা হৈছিল যে মোৰ্কদমাত মিছাকৈ দাবী কৰাৰ দৰে ম্যাদী পট্টা নং-৩ ত কোনো দাগ নং ৩৩৪ নাই আৰু এই দাগ “মহাতোছ”ৰ আছিল যিটো বিবাদীয় ভূমিৰ পৰা বহু দূৰত অৱস্থিত। তাৰ আধাৰতে আবেদনকাৰীয়ে দাবী কৰে যে উক্ত ডিক্ৰী কাৰ্যকৰীকৰণৰ বাবে গ্ৰহণযোগ্য নহয়।

৭) ইয়াৰ উপৰিও নথি সমুহৰ পৰা দেখা যায় যে আবেদনকাৰীয়ে দুজন সাক্ষীৰ সাক্ষ্য আৰু বিভিন্ন নথি-পত্ৰ প্ৰদৰ্শক হিচাপে অন্তৰ্ভুক্ত কৰিছিল। ডিক্ৰীধাৰীয়েও দুজন সাক্ষীৰ সাক্ষ্য দাঙি ধৰিছিল । দুয়োপক্ষৰ শুনানি গ্ৰহণ কৰাৰ পিছত ডিক্ৰী ৰূপায়ণকাৰী আদালতে (Executing court) ৩০.৭.২০১৬ তাৰিখে প্ৰদান কৰা এক আদেশৰ জৰিয়তে নিৰ্ণয় কৰে যে বিবাদীয় মাটিখিনিত নতুন দাগ নম্বৰ আৰু পট্টা নম্বৰ দিয়া হৈছিল । এই নথি-পত্ৰসমূহৰ বিৰুদ্ধে কোনো প্ৰত্যাহ্বান জনোৱা হোৱা নাছিল। এইটোও লক্ষ্য কৰা হয় যে প্ৰদৰ্শক- খ (দখলৰ প্ৰমাণপত্ৰ) এ পুনৰ নিশ্চিত কৰিলে যে ম্যাদী পট্টা নং ৪৪ হৈছে ৩ নং ম্যাদী পট্টাৰ ঠাইত দিয়া নতুন ম্যাদী পট্টা। ডিক্ৰী ৰূপায়ণকাৰী আদালত আৰু লক্ষ্য কৰে যে দেনদাৰে দাখিল কৰা আবেদনত উত্থাপন কৰা যুক্তি নিম্ন আদালতৰ বা আপীল আদালতৰ সন্মুখত উত্থাপন কৰা হোৱা নাছিল আৰু সেয়েহে, ডিক্ৰী ৰূপায়ণকাৰী আদালতএই আবেদন বিবেচনা বা গ্ৰহণ কৰিব নোৱাৰে। ফলস্বৰূপে ডিক্ৰী ৰূপায়ণকাৰী আদালতে মতপোষণ কৰিছিল যে বিবাদীয় মাটিৰ বৰ্ণনা সঠিক আৰু পট্টা নং ৩(পুৰণি)পৰিৱৰ্তে ম্যাদী পট্টা নং ৪৪ হৈছে নতুন পট্টা আৰু দাগ নম্বৰ ৫০২(নতুন)/দাগ নম্বৰ নং ৩৩৯(পুৰণি)।

৮) নথি সমুহৰ পৰা দেখা যায় যে ২০১৬ চনৰ ৩০ জুলাইৰ আদেশক প্ৰত্যাহ্বান জনাই এখন পুনৰীক্ষণ আবেদন দাখিল কৰা হৈছিল। উক্ত আবেদন বিবিধ (জে) গোচৰ নং ১৩৫/২০১৬ হিচাপে পঞ্জীয়ন কৰা হৈছিল। উক্ত পুনৰীক্ষণ আবেদনখনৰ পৰা এইটো দেখা যায় যে ইয়াত উত্থাপিত যুক্তিসমূহৰ পৰা স্পষ্ট হয় যে ২০১৬ চনৰ ৩০ জুলাইৰ আদেশটো যথেষ্ট বিসংগতিমূলক আছিল কাৰণ অসম ভূমি আৰু ৰাজহ অধিনিয়ম, ১৮৮৬ অনুসৰি খচৰা খটিয়ানৰ কোনো প্ৰামাণিক মূল্য নাই বুলি ধৰা হয় বা অসম আধিয়াৰৰ সুৰক্ষা আৰু নিয়ন্ত্ৰণ আইন ১৯৪৮, বা অসম

(অস্থায়ীভাৱে বসতিপ্ৰধান অঞ্চল) ভাড়াতীয়া আইন, ১৯৭১ বা অসম ভূমি আৰু ৰাজহ অধিনিয়ম, ১৮৮৬ চন অনুসৰিও স্বত্ব নথি হিচাপে স্বীকৃতিপ্ৰাপ্ত নহয়। আন এটা যুক্তি উত্থাপন কৰা হৈছে যে ২০১৬ চনৰ ৩০ জুলাই তাৰিখৰ আদেশটো আসোঁৱাহপূৰ্ণ কাৰণ আবেদনকাৰীৰ মতে আদালতৰ সন্মুখত নিৰ্ভৰযোগ্য নথি দাখিল নকৰাকৈয়ে এই সিদ্ধান্তত উপনীত হয় যে দাগ নং ৩৩৯(পুৰণি) ম্যাদী পট্টা নং ৩(পুৰণি) লগত দাগ নং ৫০২{নতুন) ম্যাদী পট্টা নং ৪৪(নতুন) ৰ মিল আছে। পৰৱৰ্তী সময়ত ১৯৭৩-১৯৭৪ চনত পুনৰ সংস্থাপন অভিযান সমাপ্ত হোৱাৰ পিছত পট্টা নম্বৰ বা দাগ নম্বৰৰ কোনো পৰিৱৰ্তন নহ'ল। শেষত ম্যাদী পট্টা নং-৩ ত দাগ নং ১৩২, ১৩৩, ১৩৪, ৪৫৩, আৰু ৮৮ অন্তৰ্ভুক্ত হোৱাটো নিশ্চিত কৰা হৈছিল।ইয়াৰ উপৰিও নতুন ম্যাদী পট্টা নং-৪৪ নিশ্চিত কৰা হৈছিল, য'ত দাগ নং ৩৩৯ক সামৰি লোৱা হৈছিল। পুনৰীক্ষণ আবেদনখনত আগবঢ়োৱা আন এক যুক্তি হ'ল যে ডিক্ৰী ৰূপায়ণকাৰী আদালতে ২০১৬ চনৰ ৩০ জুলাই তাৰিখৰ আদেশ জাৰি কৰোতে মাটি চিনাক্তকৰণৰ সন্দৰ্ভত স্পষ্ট আৰু লক্ষণীয় ভুল কৰিছিল। যিটো নথিৰ পৰা স্পষ্ট হয়। পুনৰীক্ষণ বিচাৰি কৰা উক্ত আবেদনখনত আপত্তিসমূহ যথাযথভাৱে দাখিল কৰা হৈছিল। পৰ্যালোচনাৰ বাবে কৰা আবেদনখনত আপত্তি সঠিকভাৱে দাখিল কৰা হৈছিল।

৯) ডিক্ৰী ৰূপায়ণকাৰী আদালতে ১১.১.২০১৮ তাৰিখৰ এক আদেশৰ জৰিয়তে পৰ্যালোচনা বাবে কৰা আবেদনখন অগ্ৰাহ্য কৰে। আদালতে মতপোষণ কৰে যে নথিত সহজেই দেখা পোৱা কোনো ভুল নাই। আদালতে কয় যে ২০১৬ চনৰ ৩০ জুলাইত প্ৰাৰম্ভিক নিৰ্দেশ জাৰি কৰাৰ পূৰ্বে বিষয়টোৰ বিভিন্ন দিশ বিবেচনা কৰা হৈছিল। ফলস্বৰূপে, পৰ্যালোচনা আবেদনখন গ্ৰহণ কৰা হোৱা নাছিল কাৰণ ই প্ৰয়োজনীয় আইনী চৰ্ত বা প্ৰয়োজনীয়তা পূৰণ কৰা নাছিল। এই আইনৰ ১১৫ নং ধাৰা অনুসৰি আবেদনকাৰীয়ে ২০১৬ চনৰ ৩০ জুলাই আৰু ২০১৮ চনৰ ১১ জানুৱাৰীৰ আদেশক প্ৰত্যাহ্বান জনাইছে।

১০) মই আবেদনকাৰীক প্ৰতিনিধিত্ব কৰা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী এন. চি. দাসৰ যুক্তিসমূহ শুনিলো। তেখেতে যুক্তি আগবঢ়ায় যে ২০১৬ চনৰ ৩০ জুলাইৰ বিবাদিত আদেশ প্ৰদান কৰোতে ডিক্ৰী ৰূপায়ণকাৰী আদালতক্ষেত্ৰাধিকাৰ সম্বন্ধীয় ভুল কৰিছে, কিয়নো ডিক্ৰীটো বিশেষ ভূমিৰ লগত সম্পৰ্কিত আৰু ডিক্ৰীজাৰী আন এটুকুৰা ভূমিৰ

ক্ষেত্ৰত কৰিব বিচৰা হৈছে। তেওঁ পুনৰ যুক্তি আগবঢ়ায় যে আইনৰ সুপ্ৰতিষ্ঠিত নীতি অনুসৰি ডিক্ৰী ৰূপায়ণকাৰী আদালতে ডিক্ৰীৰ পৰিসীমা অতিক্ৰম কৰিব নোৱাৰে কাৰ্যকৰী আদালতৰ কৰ্তব্য হৈছে কেৱল ডিক্ৰীটো জাৰি কৰা ধৰণে কাৰ্যকৰী কৰা।

১১) আনহাতে, প্ৰতিবাদীক প্ৰতিনিধিত্ব কৰা বিজ্ঞ অধিবক্তা শ্ৰী আৰ.এছ. মিশ্ৰই যুক্তি আগবঢ়ায় যে নথিত উপলব্ধ প্ৰমাণে স্পষ্টকৈ দেখায় যে ডিক্ৰীত উল্লেখ কৰা ভূমিৰ (decretal land) তালিকাত কোনো পৰিৱৰ্তন হোৱা নাই। পুৰণি ম্যাদী নং নতুন ম্যাদী ৪৪ নং আৰু পুৰণি দাগ নং ৫০২ এতিয়া ক্ৰমে নতুন দাগ নং ৩৩৯ আৰু ৩৩৮। তেওঁ যুক্তি আগবঢ়ায় যে প্ৰদৰ্শক-খ চালে দেখা যায়, যিটো হৈছে চক্ৰ বিষয়াই ২.১২.১৯৯৭ তাৰিখে প্ৰদান কৰা প্ৰমাণপত্ৰ, ডিক্ৰী ৰূপায়ণকাৰী আদালতভিন্ন ভূমিৰ ক্ষেত্ৰত ডিক্ৰী কাৰ্যকৰী কৰাৰ কোনো প্ৰশ্নই উত্থাপন নহয়।

১২) মই পক্ষসমূহৰ বিজ্ঞ অধিবক্তাসকলৰ যুক্তি শুনিলো আৰু সৰ্তকতাৰে মোৰ বিবেচনা আগবঢ়ালো ।

১৩) এই ন্যায়ালয়ে এই আইনৰ ধাৰা ১১৫ৰ অধীনত প্ৰদান কৰা ক্ষমতাৰ ব্যৱহাৰ কৰিছে। উক্ত ক্ষমতাৰ আপীল ক্ষমতাৰ সৈতে সাদৃশ্য নাই । এই ন্যায়ালয়ক যি ক্ষেত্ৰাধিকাৰ প্ৰদান কৰা হৈছে সেয়া কেৱল তেতিয়াহে প্ৰয়োগ কৰিব পাৰিব যেতিয়া নিম্ন আদালতে আইন প্ৰদান নকৰা ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰে বা আইন প্ৰদত্ত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰাত ব্যৰ্থ হয় বা ক্ষেত্ৰাধিকাৰ অবৈধ ভাৱে প্ৰয়োগ কৰে বা বস্তুগত অনিয়মৰ সৈতে কোনো ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰে। এই ডিক্ৰী পৰ্যালোচনা কৰিলে দেখা যায় যে ডিক্ৰীটো দুটুকুৰা মাটিৰ ক্ষেত্ৰত জাৰী কৰা হৈছে, অৰ্থাৎ তপছিল ক আৰু খ । উক্ত মাটি দুটুকুৰা ডিব্ৰুগড় জিলাৰ চাবুৱা মৌজাত অৱস্থিত ম্যাদী পট্টা নং-3ৰ ৩৩৯ নং দাগৰ অন্তৰ্ভুক্ত। উক্ত মাটিৰ সীমাৰ বিষয়ে ডিক্ৰীত বিশেষভাৱে উল্লেখ কৰা হৈছে। কাৰ্যকৰী আদালতৰ সন্মুখত বিবেচনাৰ বাবে উত্থাপন হোৱা প্ৰশ্নটো হৈছে যে ম্যাদী পট্টা নং-৩ (পুৰণি) এতিয়া ম্যাদী পট্টা নং ৪৪ (নতুন) নেকি আৰু পুৰণি দাগ নং ৫০২ এতিয়া দাগ নং ৩৩৯ আৰু ৩৩৮ নেকি । চাবুৱা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই ২.১২.১৯৯৭ তাৰিখে প্ৰদান কৰা প্ৰমাণ পত্ৰ অনুসৰি নিৰ্ধাৰণ কৰা হৈছে যে শ্ৰীমতী অমিলা বাউৰীয়ে কৰা আবেদন অনুসৰি তেওঁক চাবুৱা মৌজাৰ অন্তৰ্গত পট্টা নং-৩ (পুৰণি)/পট্টা নং-৪৪ (নতুন)ৰ দাগ নং ৫০২ (নতুন)/৩৩৯ আৰু ৩৩৮ (পুৰণি) ৰ অধীনৰ ৩ কঠা ভূমিৰ আবন্টন দিয়া

হৈছিল । এইটো কথাও উল্লেখ কৰা হৈছে যে উক্ত অমিলা বাউৰীক ৪২বছৰ ধৰি থকা তেওঁৰ দখলৰ ভিত্তিত মাটিৰ আবন্টন দিয়া হৈছিল । সেয়েহে নথিত থকা তথ্যৰ পৰা ডিক্ৰী ৰূপায়ণকাৰী আদালত৩০.৭.২০১৬ তাৰিখৰ এক আদেশত এই তথ্যৰ সন্ধান লাভ কৰিছিল যে ম্যাদী পট্টা নং ৪৪ হৈছে ম্যাদী পট্টা নং ৩(পুৰণি)ৰ ঠাইত প্ৰদান কৰা নতুন ম্যাদী পট্টা নম্বৰ । এই পৰ্যায়ত, আবেদনকাৰীৰ জেৰাটো বিবেচনা কৰা প্ৰাসংগিক হ'ব, যিগৰাকী আবেদনকাৰীৰ সাক্ষী -১ (petitioner witness no.-1)আছিল। তেখেতে কৈছিল যে তেওঁ কেতিয়াও উল্লেখ কৰা নাই যে আদালতৰ ডিক্ৰীত উল্লেখ কৰা মাটি আৰু ধাৰা ৪৭ ত- আবেদনত উল্লেখ কৰা মাটি সুকীয়া বা পৃথক। তেওঁ কৈছিল যে যে ডিক্ৰীত উল্লেখ কৰা মাটিৰ দাগ আৰু পট্টা নং ত পৰিৱৰ্তন হৈছে নে নাই হোৱা তেওঁ নাজানে । তেওঁ লগতে কৈছিল যে যে প্ৰদৰ্শক- ৩ ত কিমান মাটি আছে আৰু কোনে কিমান মাটি ক্ৰয় কৰিছে তেওঁ নাজানে । তেওঁ আকৌ কৈছিল যে তেওঁ নাজানে যে বিবাদিত ভূমি জমাবন্দীত তালিকাভুক্ত হৈ আছেনে নাই । তেওঁ শ্ৰীযুত খেমানী নামৰ ব্যক্তি এজনৰ পৰা পোৱা কিছু তথ্যৰ ভিত্তিত আবেদন দাখিল কৰিছিল । তেওঁ কৈছিল যে বৰ্তমান বিবাদিত ভূমি পট্টা নং ৪৪ৰ দাগ নং-৩৩৯ হিচাপে আবন্টন দিয়া হৈছে নেকি তেওঁ নাজানে । সেইবাবে, আবেদনকাৰীৰ জেৰাৰ পৰা এইটো দেখা যায় যে তেওঁ বিবাদিত ভূমিত নতুন পট্টা নম্বৰ আৰু দাগ নম্বৰ আবন্টন দিয়া হৈছিল নে নাই সেই বিষয়ে জ্ঞাত নোহোৱাকৈয়ে আবেদন দাখিল কৰিছিল । এনে পৰিস্থিতিত, এই ন্যায়ালয়ে বৰ্তমানৰ গোচৰত বিতৰ্কিত আদেশত কোনো দুৰ্বলতা বিচাৰি নাপায় ।

১৪) এই পৰ্যায়ত, প্ৰতিভা সিঙ বনাম শান্তি দেৱী প্ৰসাদ, (২০০৩) ২ এছ.চি.চি ৩৩০ গোচৰত উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায়দান বিবেচনা কৰাটো প্ৰাসংগিক হ'ব। উক্ত গোচৰৰ ১৭ নং দফাত উচ্চতম ন্যায়ালয়ে এইটো দৃষ্টিগোচৰ কৰিছিল যে যেতিয়া কোনো স্থাৱৰ সম্পত্তিৰ সৈতে জড়িত গোচৰত ডিক্ৰী জাৰী কৰা হয়, আৰু সম্পত্তিটো নিশ্চিতভাৱে চিনাক্ত কৰা নহয়, দেৱানী কাৰ্যবিধি আইনৰ(চি.পি.চি) আদেশ VII, নিয়ম ৩, আৰু আদেশ XX, নিয়ম ৩ ত থকা দফাসমূহ এৰি যোৱাৰ ফলত উদ্ভৱ হোৱা আদালতৰ নথিৰ আসোঁৱাহ দূৰ কৰিব বা শুধৰাব পাৰি। উচ্চতম ন্যায়ালয়ে লক্ষ্য কৰিছিল যে এজন সফল বাদীক ডিক্ৰীৰ সুবিধাৰ পৰা বঞ্চিত কৰা

উচিত নহয়। সেযেহে, প্ৰতিটো গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি এই আইনৰ ধাৰা ১৫২ বা ধাৰা ৪৭ৰ মাজত যিটোয়েই অধিক উপযুক্ত, ন্যায়সংগত আৰু সুবিধাজনক হব পাৰে প্ৰয়োগ কৰি আদালতৰ ডিক্ৰীত উদ্ভৱ হোৱা সমস্যাৰ সমাধান কৰি এজন সফল বাদীয়ে  সুবিধা লাভ কৰাটো নিশ্চিত কৰিব পাৰি। এইটোও লক্ষ্য কৰা হৈছিল যে ডিক্ৰীৰ দ্বাৰা প্ৰভাৱিত সম্পত্তিৰ সঠিক বৰ্ণনা কাৰ্য্যকৰী আদালতে নিৰ্ধাৰণ কৰিব পাৰে। আৰু এনে স্পষ্টীকৰণ আইনী সংহিতাৰ ধাৰা ৪৭ৰ পৰিসৰৰ ভিতৰত পৰে, যি ধাৰা ডিক্ৰী কাৰ্য্যকৰীকৰণ, নিষ্পত্তি বা সন্তুষ্টিৰ প্ৰশ্নসমূহৰ সৈতে জড়িত। ১৭ নং দফা প্ৰাসংগিক হোৱাৰ বাবে ইয়াত উদ্ধৃত কৰা হ'ল:

"১৭)যেতিয়া কোনো স্থাৱৰ সম্পত্তিৰ সৈতে জড়িত গোচৰত ডিক্ৰী জাৰী কৰা হয়, আৰু সম্পত্তিটো নিশ্চিতভাৱে চিনাক্ত কৰা নহয়, দেৱানী কাৰ্যবিধি আইনৰ(চি.পি.চি) আদেশ ৭, নিয়ম ৩, আৰু আদেশ ২০, নিয়ম ৩ ত থকা দফাসমূহ এৰি যোৱাৰ ফলত উদ্ভৱ হোৱা আদালতৰ নথিৰ আসোঁৱাহ দূৰ কৰিব বা শুধৰাব পাৰি। এজন সফল বাদীক ডিক্ৰীৰ সুবিধাৰ পৰা বঞ্চিত কৰা উচিত নহয়। সেযেহে, প্ৰতিটো গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি এই আইনৰ ধাৰা ১৫২ বা ধাৰা ৪৭ৰ মাজত যিটোয়েই অধিক উপযুক্ত, ন্যায়সংগত আৰু সুবিধাজনক হব পাৰে প্ৰয়োগ কৰি আদালতৰ ডিক্ৰীত উদ্ভৱ হোৱা সমস্যাৰ সমাধান কৰি এজন সফল বাদীয়ে  সুবিধা লাভ কৰাটো নিশ্চিত কৰিব পাৰি। অজানিতে হোৱা ভুলৰ বাবে গোচৰৰ মূল বিষয়ত কোনো প্ৰভাৱ নপৰাকৈ ডিক্ৰী জাৰি কৰা আদালতে দেৱানী কাৰ্যবিধি আইনৰ ধাৰা ১৫২ অনুসৰি হেৰাই যোৱা তথ্যসমূহ প্ৰদান কৰি ইয়াক শুধৰাব পাৰে। নতুবা, ইয়াৰ বিকল্প হিচাপে ডিক্ৰিটেল সম্পত্তিৰ (decretal property)সঠিক বৰ্ণনা ডিক্ৰী ৰূপায়ণকাৰী আদালতে দেৱানী কাৰ্যবিধি আইনৰ ধাৰা ৪৭ৰ অধীনত ডিক্ৰী কাৰ্য্যকৰীকৰণ, নিষ্পত্তি বা সন্তুষ্টি লগত জড়িত প্ৰশ্ন হিচাপে নিৰ্ণয় কৰিব পাৰে।অন্যথা ইয়াৰ বিকল্প হিচাপে অধীসূচীত সম্পত্তিৰ সঠিক বৰ্ণনা কাৰ্য্যকৰী আদালতে কাৰ্যকৰিকৰণ, নিষ্পত্তি বা সন্তুষ্টি লগত জড়িত প্ৰশ্ন হিচাপে সংহিতাৰ ধাৰা ৪৭ৰ অধীনত নিৰ্ণয় কৰিব লাগে।  যিমানদূৰ সম্ভৱ, আকস্মিকভাৱে থাকি যোৱা বা বাদ পৰা তথ্যৰ বাবে এখন আদালতৰ ডিক্ৰী বাতিল কৰিব নালাগে। বৰ্তমানৰ গোচৰটোৰ তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমি ভাবো যে এই আইনৰ ধাৰা ৪৭ প্ৰয়োগ কৰাটো অধিক উপযুক্ত হ'ব।"

১৫) এইদৰে দেখা যায় যে ডিক্ৰী ৰূপায়ণকাৰী আদালতে ৩০.৭.২০১৬ তাৰিখৰ আদেশ প্ৰদান কৰোতে এই আইনৰ ধাৰা ৪৭ৰ অধীনত প্ৰদান কৰা ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰে, যাৰ বাবে এই ন্যায়ালয়ে এই আইনৰ ধাৰা ১১৫ প্ৰয়োগ কৰাত আগ্ৰহী নহয়। এই ন্যায়ালয়ে মতপোষণ কৰে যে ৩০.৭.২০১৬ তাৰিখৰ আদেশত ডিক্ৰী ৰূপায়ণকাৰী আদালতে আইন প্ৰদত্ত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰে। এই ন্যায়ালয়ে বিবিধ (জে) গোচৰ নং ১৩৫/২০১৬ ত ১১.১.২০১৮ তাৰিখে প্ৰদান কৰা আদেশত কোনো ভুল বিচাৰি পোৱা নাই।

১৬) ফলস্বৰূপে, এই আবেদন খাৰিজ কৰা হয়। আবেদনখন খাৰিজ হোৱাৰ বাবে এই ন্যায়ালয়ে পূৰ্বে জাৰি কৰা স্থগিতাদেশ প্ৰত্যাহাৰ কৰা হৈছে। স্থগিতাদেশ অনুসৰি স্থগিত ৰখা ডিক্ৰী জাৰী প্ৰক্ৰিয়া, অৰ্থাৎ, ডিক্ৰী জাৰী গোচৰ নং ২১/২০০৯ ইয়াৰ দ্বাৰা মুকলি কৰা হৈছে আৰু ২১.৬.২০২২ তাৰিখে ডিক্ৰী জাৰী আদালতত পক্ষসমূহক হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে। বৰ্তমানৰ গোচৰত এই ন্যায়ালয়ে কোনো ধৰণৰ খৰচ আৰোপ কৰিবলৈ ইচ্ছুক নহয়।

১৭) ওপৰৰ পৰ্যবেক্ষণসমূহৰ অনুসৰি এই গোচৰটো নিষ্পত্তি কৰা হল।

১৮) পঞ্জীয়ণ বিভাগক ৰেকৰ্ডসমূহ অবিলম্বে নিম্ন আদালতলৈ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল ।

অনুবাদক: উৰ্মি হাজৰিকা, কনিষ্ঠ অনুবাদক
পৰীক্ষক: কংকনা বৰা, জ্যেষ্ঠ অনুবাদক
অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

# DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।“